# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-08-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - - - - - - - - -**

১। বিৰোধীৰ দুবাৰকৈ সদন ত্যাগ আৰু ১০খন বিধেয়ক উত্থাপনৰ মাজেৰে অসম বিধানসভাৰ শৰৎকালীন অধিবেশন আৰম্ভ।

২। সকলো ধৰণৰ চাকৰিত চাহ জনগোষ্ঠীৰ বাবে ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা বুলি সদনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৩। প্ৰধানমন্ত্ৰীৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ ধবজাবাহী আঁচনিসমূহ তৃণমূল পৰ্যায়ৰ পৰা ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে বুলি কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী সাৱিত্ৰী ঠাকুৰৰ মৰিগাঁৱত মন্তব্য।

৪। ৰাজ্যৰ আইন-শৃংখলা ৰক্ষাৰ বাবে সকলো স্তৰৰ আৰক্ষীৰ লগতে সংশ্লিষ্ট সকলোকে দায়িত্ব পালন কৰিবলৈ অসম আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ আহ্বান। **আৰু**

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ২৬ আগষ্টত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড আৰু শ্বিলং লাজঙৰ মুখামুখি।

00000

বিৰোধীৰ দুবাৰকৈ সদন ত্যাগ, সদন স্থগিত প্ৰস্তাৱ উত্থাপনৰ মাজেৰে অসম বিধানসভাৰ শৰৎকালীন অধিবেশন আজিৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ মাজতে আদিবাসী আৰু চাহ জনগোষ্ঠীৰ সৰ্বাংগীন সংস্থাপনৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেতবোৰ গুৰুত্বপূৰ্ণ ঘোষণা কৰে। প্ৰশ্নোত্তৰ কালেৰে আৰম্ভ হোৱা অধিবেশনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰকাৰে সকলো ধৰণৰ চাকৰিত এতিয়াৰেপৰা চাহ জনগোষ্ঠীৰ বাবে ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ বিষয়ে ঘোষণা কৰে। চাহ-বাগিচা অঞ্চলৰ বাট-পথৰ উন্নয়নৰ বাবে ৯০০ কোটি টকা ধাৰ্য কৰা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিসমূহৰ উপৰি চৰকাৰৰ আন বিভাগে যুগুতোৱা বহু আঁচনিয়ে চাহ জনগোষ্ঠী তথা আদিবাসীসকলক উপকৃত কৰিছে। চৰকাৰৰ সমাগত নিযুক্তি মেলাত চাহ জনগোষ্ঠী আৰু আদিবাসী যুৱক-যুৱতীসকলে মেধা আৰু অন্যান্য পিছপৰা জাতি হিচাপে নিযুক্তি লাভ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। কেইখনমান চাহ বাগিছাত স্থাপন হ'বলগীয়া মুঠ ১০খন মহাবিদ্যালয়ৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰস্তাৱিত মহাবিদ্যালয়সমূহত একমাত্ৰ চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীয়েহে অধ্যয়ন কৰিব পাৰিব।

ইপিনে, মথাউৰিসমূহৰ নিৰীক্ষণৰ দায়িত্ব গাঁওৰক্ষী বাহিনীক দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। অসম গাঁও প্ৰতিৰক্ষা বাহিনী (সংশোধনী) বিধেয়কৰ জৰিয়তে সংগঠনটোৰ সংজ্ঞা, কৰ্তব্য আৰু কাৰ্য,

সমিতিসমূহৰ গঠন, প্ৰশাসন আৰু নিয়ন্ত্ৰণ, পাৰিতোষিক ইত্যাদি বিষয়ত কেতবোৰ সংশোধনীৰ জৰিয়তে গাঁওৰক্ষী বাহিনীক শক্তিশালী আৰু আধুনিকীকৰণ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি প্ৰথম দিনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই দি আছাম শ্বিডিউল কাষ্ট এণ্ড শ্বিডিউল ট্ৰাইব্‌ছ (ৰিজাৰ্ভেচন অফ ভেকেন্সিছ ইন ছাৰ্ভিচেছ এণ্ড পোষ্ট) সংশোধন বিধেয়ক, ২০২৪ সদনৰ অনুমতি সাপেক্ষে উত্থাপন কৰে। সদনত আজি মুঠ ১০খন বিধেয়ক উত্থাপন কৰা হয়। মন্ত্ৰী শ্ৰীহাজৰিকাই মুখ্যমন্ত্ৰীৰ হৈ সদনৰ অনুমতি সাপেক্ষে অসম চৰকাৰী ভাষা সংশোধন বিধেয়ক, ২০২৪খনো উত্থাপন কৰে। ৰাজহ মন্ত্ৰী যোগেন মহনে আজি তিনিখন বিধেয়ক উত্থাপন কৰে। ইয়াৰে অসম ভূমি-ৰাজহ নিয়ন্ত্ৰণ সংশোধন বিধেয়কখন উত্থাপন কৰাৰ সময়ত সদন উত্তাল হৈ পৰে। বিৰোধী দল বিশেষকৈ এ আই ইউ ডি এফৰ বিধায়কসকলে বিধেয়কখন উত্থাপনত সদনে অনুমতি দিয়া নাই বুলি অধ্যক্ষক স্পষ্ট কৰি দিয়ে। অধ্যক্ষই কয় যে বিধেয়ক উত্থাপন হ'লেও পাৰিত হোৱাৰ ক্ষেত্ৰত সুকীয়াকৈ বিৰোধিতা কৰাৰ প্ৰস্তাৱ দিব লাগিব। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাই দ্য আছাম ভেটেৰিনেৰী এণ্ড ফিচাৰী ইউনিভাৰ্চিটী বিল ২০২৪ আৰু মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ হৈ মন্ত্ৰী পীযুষ হাজৰিকাই দা আছাম স্কীল ইউনিভাৰ্চিটী এমেণ্ডমেণ্ট বিল সদনত উত্থাপন কৰে। আনহাতে, সামাজিত ন্যায় আৰু সবলীকৰণ বিভাগৰ দায়িত্বপ্ৰাপ্ত মন্ত্ৰী পীযুষ হাজৰিকাই মৰাণ আৰু মটক স্বায়ত্ত শাসিত পৰিষদ সম্পৰ্কীয় দুখন সুকীয়া বিধেয়ক উত্থাপন কৰে। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে দা আছাম আৰবান ৱাটাৰ ব'ডিজ (প্ৰিভেনচন এণ্ড কনজাৰভেচন) বিল উত্থাপন কৰে। সেইদৰে বিত্তমন্ত্ৰী অজন্তা নেওগে ২০২৪-২৫ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰিসমূহ সদনত দাখিল কৰে। ২৮ আগষ্টত পৰিপূৰক মঞ্জুৰিৰ বাবে দাবীসমূহৰ ওপৰত আলোচনা আৰু ভোটদান হ'ব। উল্লেখযোগ্য যে অধিবেশনৰ কাম-কাজ পুনৰ অহা ২৭ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। সেইদিনা সংকল্প প্ৰস্তাৱ আৰু আন কেইবাখনো বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে। ৩০ আগষ্টলৈ এই অধিবেশন চলিব।

০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি প্ৰথম দিনা ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ, এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু কংগ্ৰেছৰ দেৱব্ৰত শইকীয়াই সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অখিল গগৈয়ে শিৱসাগৰত এগৰাকী যুৱতীক অপদস্থ কৰা, আমিনুল ইছলামে ভূমি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কৰা বক্তব্য আৰু দেৱব্ৰত শইকীয়াই স্মাৰ্ট বৈদ্যুতিক মিটাৰ সন্দৰ্ভত সভাস্থগিতৰ প্ৰস্তাৱ তোলে যদিও অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই তিনিওটা প্ৰস্তাৱ নাকচ কৰে। ইয়াকে লৈ কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিধায়কসকলে প্লেকাৰ্ড লৈ অধ্যক্ষৰ সন্মুখত ধৰ্ণা দি বিধানসভা ত্যাগ কৰে। চৰকাৰৰ স্থিতিত ক্ষুণ্ণ হৈ আৰু অধ্যক্ষৰ বিৰুদ্ধে পক্ষপাতিত্বৰ অভিযোগ তুলি বিধায়ক অখিল গগৈৰ লগতে কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিধায়কসকলে সুকীয়া সুকীয়াকৈ সদন ত্যাগ কৰে।

০০০০০

মহিলা আৰু শিশু উন্নয়ন বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী সাৱিত্ৰী ঠাকুৰে আজি দিনজোৱা কাৰ্যসূচীৰে মৰিগাঁও জিলাত উপস্থিত হৈ জিলাখনত মহিলা আৰু শিশুসকলৰ কল্যাণৰ বাবে ৰূপায়ণ কৰা চৰকাৰী আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্য চৰকাৰৰ মহিলা শিশু উন্নয়ন আৰু বিত্ত বিভাগৰ মন্ত্ৰী অজন্তা নেওগ তথা অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সহযোগিতাৰে ধ্বজাবাহী আঁচনিসমূহ তৃণমূল পৰ্যায়ৰ পৰা ৰূপায়ণৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে আঁচনিসমূহে গ্ৰামাঞ্চলৰ দুখীয়া পৰিয়ালক বিশেষভাৱে উপকৃত কৰিছে বুলি মন্তব্য কৰে।

০০০০০

ভাৰত আৰু পোলেণ্ডে দুয়ো দেশৰ পাৰস্পৰিক সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্কৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হোৱাৰ পাছত এটা প্ৰেছ বিবৃতিযোগে শ্ৰী মোদীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, এই বছৰতে দেশ দুখনে পাৰস্পৰিক কূটনৈতিক সম্পৰ্কৰ ৭০ সংখ্যক বাৰ্ষিকী উদযাপন কৰিব। ভাৰত আৰু পোলেণ্ডৰ সম্পৰ্ক গণতন্ত্ৰ আৰু আইনৰ বিধিৰ দৰে উমেহতীয়া প্ৰমূল্যৰ ওপৰত নিৰ্ভৰশীল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, ৪৫ বছৰৰ পাছত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে পোলেণ্ড ভ্ৰমণ কৰাৰ পৰিপ্ৰেক্ষিতত আজিৰ দিনটোৱে দুয়োখন দেশৰ সম্পৰ্কৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰিছে। ২০২২ চনত ইউক্ৰেইনত উদ্ভৱ হোৱা পৰিস্থিতিৰ সময়ত পোলেণ্ডে ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰৰ ক্ষেত্ৰত কৰা সহায় দেশখনে কেতিয়াও নাপাহৰে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। দেশ দুখনে আন্তঃৰাষ্ট্ৰীয় মঞ্চত নিকট সমন্বয়ৰে অগ্ৰসৰ হৈছে বুলিও তেওঁ কয়। ইপিনে গোলকীয় প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ বাবে ৰাষ্ট্ৰসংঘ আৰু অন্য আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সংস্কাৰ সাধন কৰাটো সময়ৰ দাবী হিচাপে চিহ্নিত হৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ পোলেণ্ডৰ কোম্পানীসমূহক বিশ্ববাসীৰ বাবে সামগ্ৰী উৎপাদন কৰিবলৈ ভাৰতৰ মেক ইন ইণ্ডিয়া অভিযানত যোগ দিয়াৰ বাবে আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড০ মাণিক সাহাৰ সৈতে টেলিফোনযোগে কথা পাতি ৰাজ্যখনৰ বান পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ চৰকাৰক সাহায্য আৰু উদ্ধাৰ অভিযানত সহায় কৰিবলৈ এন ডি আৰ এফ, নাও আৰ হেলিকপ্টাৰ প্ৰেৰণ কৰা বুলি উল্লেখ কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ আশ্বাস দিয়ে। এই বিষয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰি ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীয়ে কয় যে, অসম আৰু অৰুণাচল প্ৰদেশৰ পৰা ১১টা এন ডি আৰ এফৰ দল ত্ৰিপুৰালৈ প্ৰেৰণ কৰা হ'ব। ত্ৰিপুৰাৰ জনসাধাৰণক তাৎক্ষণিকভাৱে সঁহাৰি দিয়াৰ বাবে গৃহমন্ত্ৰীগৰাকীক তেওঁ ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত কাৰ্যসূচীৰ অধীনত এখন সুস্থ ভাৰত গঢ়াৰ পদক্ষেপৰ অংশ হিচাপে আজি অইল ইণ্ডিয়া লিমিটেডে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাজ্যখনৰ স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি উন্নীত কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। ইয়াৰ দ্বাৰা চিকিৎসা মহাবিদ্যালয়খনত ৮ কোটি ৯০ লাখ কোটি টকা ব্যয়ৰে ৰোগীৰ বাবে কেইবামহলীয়া কেবিন গৃহ নিৰ্মাণ কৰা হ'ব। অইল ইণ্ডিয়া লিমিটেডে সামাজিক দায়বদ্ধতা আঁচনিৰ অংশ হিচাপে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে ৰাজ্যখনত আইন শৃংখলা ৰক্ষাৰ বাবে অসম আৰক্ষী বদ্ধপৰিকৰ বুলি উল্লেখ কৰি সকলো স্তৰৰ আৰক্ষীৰ লোকসকলৰ লগতে সংশ্লিষ্ট সকলোকে এইক্ষেত্ৰত

দায়িত্ব পালন কৰিবলৈ আহ্বান জনাইছে। আৰক্ষী সঞ্চালকপ্ৰধান শ্ৰী সিঙে সামাজিক মাধ্যমযোগে এই আহ্বান জনাই  আইন উলংঘাকাৰী লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে আৰক্ষীক নিৰ্দেশ দিয়া হৈছে বুলিও উল্লেখ কৰে। তেওঁ ৰাজ্যখনত যিকোনো ধৰণৰ আইন উলংঘাকাৰী ঘটনা সংঘটিত হোৱাৰ ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ বাবে আৰক্ষীৰ মাণ্ডলিক আৰু জিলা পৰ্যায়ৰ সকলো শীৰ্ষ বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত ৰাজ্যখনত বিগত কিছুদিন ধৰি পৃথক জনগোষ্ঠীৰ লোকৰ মাজত হোৱা বিবাদৰ পৰিণতিত কেতবোৰ অপৰাধমূলক কাৰ্যকলাপ সংঘটিত হোৱাৰ বিষয়ে উল্লেখ কৰি এই ক্ষেত্ৰত আইন অনুসাৰে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। তদুপৰি জিলা পৰ্যায়ৰ আৰক্ষী গোট, থানা পৰ্যায়ৰ নাগৰিক সমিতি আৰু জিলা প্ৰশাসনক নিয়মীয়াকৈ বিভিন্ন জনগোষ্ঠীৰ প্ৰতিনিধিসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰি শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে। কোনো পৰিস্থিতিতেই যাতে জনসাধাৰণে আইনৰ ঊৰ্ধ্বলৈ গৈ কাৰ্যকলাপ সংঘটিত কৰিব নোৱাৰে এই দিশত চোকা দৃষ্টি ৰাখিবলৈ দায়িত্বত নিয়োজিত জিলা আৰু থানা পৰ্যায়ৰ আৰক্ষী বিষয়ালৈ নিৰ্দেশ দিয়া হৈছে। এনে পৰিস্থিতিত কোনো আৰক্ষী বিষয়াই  আইন শৃংখলা ৰক্ষাত ব্যৰ্থ হ'লে তেনে বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব বুলিও আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে সকীয়াই দিছে।

ইফালে যিকোনো জনগোষ্ঠীৰ নিৰ্বিশেষে কন্যাৰ ওপৰত হোৱা নিৰ্যাতন নাইবা অপৰাধ কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। তেওঁ কয় যে, কোনো ব্যক্তি বা জনগোষ্ঠীয়েই ভুলৰ বাবে ৰাজহুৱাভাৱে ক্ষমা বিচাৰিবলৈ লজ্জা অনুভৱ কৰা উচিত নহয়।

০০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ড'মিনিক গণ্যৰাজ্য, গুৱাটেমালা আৰু ছালভাডৰ ভ্ৰমণৰ পাছত পানামা গণ্যৰাজ্যত উপস্থিত হয়। এই ভ্ৰমণকালত তেওঁ আটাইকেইখন দেশৰ ৰাষ্ট্ৰপ্ৰধান সকলক সাক্ষাৎ কৰাৰ লগতে দেশ কেইখনৰ কেইবাগৰাকী মন্ত্ৰীৰ সৈতে এলানী বৈঠকত মিলিত হয়। পানামাৰ বিদেশ মন্ত্ৰীৰ সৈতে হোৱা বৈঠকত শ্ৰী মাৰ্ঘেৰিটাই ভাৰতৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয়ে আলোচনা কৰে বুলি প্ৰকাশ কৰে। এই আলোচনাকালত ভৱিষ্যতে দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন ক্ষেত্ৰৰ উন্মেষ হৈছে বুলিও জানিবলৈ দিয়ে। দেশখনত তেওঁ ভাৰতীয় মূলৰ লোকসকলক সাক্ষাৎ কৰাৰ উপৰি ভাৰতীয় দূতাৱাস আৰু প্ৰৱাসী ভাৰতীয়সকলে মন্ত্ৰীৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী উপভোগ কৰে। এই কাৰ্যসূচীত কমেও ২৫ খন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত উপস্থিত থাকে। দেশখনত ১৫ হাজাৰৰো অধিক ভাৰতীয় সম্প্ৰদায়ৰ লোক আছে বুলি শ্ৰী মাৰ্ঘেৰিটাই উল্লেখ কৰে। তেওঁ লগতে মন্ত্ৰী, ভাৰতীয় সম্প্ৰদায়ৰ বিশিষ্ট ব্যক্তিসকল, ৰাষ্ট্ৰদূত আৰু ব্যৱসায়ী তথা সাংবাদিক সকলৰ সৈতে মত বিনিময় কৰি সন্তুষ্টি লাভ কৰা বুলি উল্লেখ কৰে।

০০০০০

দেশজুৰি কাইলৈ প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰা হ'ব। দিৱসৰ এই বছৰৰ বিষয়বস্তু হৈছে- চন্দ্ৰপৃষ্ঠৰ লগতে জীৱনকো স্পৰ্শ কৰা- ভাৰতৰ মহাকাশ গাথা। এই বিষয়বস্তুৱে মহাকাশ অন্বেষণে সমাজ আৰু প্ৰযুক্তিৰ ওপৰত বিস্তাৰ কৰা প্ৰভাৱক প্ৰতিফলিত কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া মূল কাৰ্যসূচী মুকলি কৰিব। উল্লেখযোগ্য যে যোৱা বছৰৰ ২৩ আগষ্টত চন্দ্ৰযান-৩ৰ বিক্ৰম লেণ্ডাৰে সুৰক্ষিত আৰু মসৃণ অৱতৰণ কৰিছিল। ইয়াৰ লগে লগেই ভাৰত চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা বিশ্বৰ চতুৰ্থখন দেশ আৰু চন্দ্ৰৰ দক্ষিণ মেৰুত অৱতৰণ কৰা প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছিল। মহাকাশ অন্বেষণৰ ক্ষেত্ৰত দেশে অৰ্জন কৰা

উল্লেখনীয় সফলতা আৰু মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতি উদযাপনৰ বাবে ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ আয়োজন কৰা হৈছে।

কাইলৈ এই দিৱস উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ছেনট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনৰ উদ্যোগত খানাপাৰাৰ আঞ্চলিক বিজ্ঞান কেন্দ্ৰত আয়োজিত তিনিদিনীয়া মাল্টিমিডিয়া প্ৰদৰ্শনী ৰাজ্যত বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰিব।

ooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় বিজ্ঞান পুৰস্কাৰ প্ৰদান কৰে। অসমৰ দুগৰাকী বিজ্ঞানী ড০ পূৰবী শইকীয়া আৰু ড০ বাপ্পি পলে ৰাষ্ট্ৰপতিৰ পৰা ৰাষ্ট্ৰীয় বিজ্ঞান পুৰস্কাৰ গ্ৰহণ কৰে। ইপিনে, ৰাষ্ট্ৰপতিয়ে প্ৰফেছৰ গোবিন্দৰাজন পদ্মনাভনক ২০২৪ বৰ্ষৰ বিজ্ঞান ৰত্ন বঁটা প্ৰদান কৰে। কৃষি বিজ্ঞানক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ড০ অনন্তৰামকৃষ্ণণক বিজ্ঞানশ্ৰী সন্মান প্ৰদান কৰা হয়। মুম্বাইৰ ভাবা পৰমাণু গৱেষণা কেন্দ্ৰৰ ড০ আৱেশ কুমাৰক পৰমাণু শক্তি খণ্ডৰ বাবে বিজ্ঞানশ্ৰী বঁটা আগবঢ়োৱা হয়। জীৱ বিজ্ঞান খণ্ডত বিজ্ঞানশ্ৰী সন্মান পুণাৰ ভাৰতীয় বিজ্ঞান শিক্ষা গৱেষণা প্ৰতিষ্ঠানৰ প্ৰফেছৰ জয়ন্ত্ ভালচন্দ্ৰ উদগাৱকৰলৈ আগবঢ়োৱা হয়।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে পি আই বি গুৱাহাটীৰ সহযোগত আয়োজন কৰা অলিম্পিক কুইজৰ বিজয়ীসকলক আজি পুৰস্কৃত কৰা হয়। পুৰস্কাৰ বিতৰণ অনুষ্ঠানত পি আই বিৰ উত্তৰ-পূৰ্বাঞ্চলৰ সঞ্চালক প্ৰধান কে সতীশ নম্বুদিৰীপদ, অতিৰিক্ত সঞ্চালক প্ৰধান জেন নেমচু, আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধান আৰ চি বড়োৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এই প্ৰতিযোগিতাত কামৰূপৰ বিহদিয়াৰ সঞ্জয় কৃষ্ণ, গুৱাহাটীৰ জটিয়াৰ অৰূপ কলিতা, কামৰূপৰ ৰঙিয়াৰ ছৈয়দ নজৰুল ইছলাম, গুৱাহাটীৰ ফাঁচী বজাৰৰ উৎপল দাস আৰু নলবাৰীৰ ধমধমাৰ ছৈয়দ নবী উল্লাহে পুৰস্কাৰ লাভ কৰে।

ooooo

টাটা ন্যাস আৰু অসম চৰকাৰৰ উদ্যোগত বৰপেটাত স্থাপন কৰা কেন্সাৰ কেয়াৰ প্ৰতিষ্ঠানত আজি এটা অত্যাধুনিক পেট চিটি স্কেন মেচিন সংস্থাপন কৰা হয়। কৰ্কট ৰোগৰ উপৰি ৰোগীয়ে দীৰ্ঘদিন ধৰি ভুগি থকা বিভিন্ন ৰোগৰ সঠিক আৰু দ্ৰুত চিনাক্তকৰণৰ বাবে সংস্থাপন কৰা এই মেচিনটো আজি অসম কেন্সাৰ কেয়াৰ সংস্থাৰ মুখ্য পৰিচালন বিষয়া ডা০ জয়প্ৰকাশ প্ৰসাদে ৰাইজৰ বাবে মুকলি কৰে। এই মেচিনটো সংস্থাপনৰ ফলত বৃহৎ সংখ্যক লোক উপকৃত হ'ব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

নগাঁও আৰক্ষীয়ে অভিযান চলাই ফৌজদাৰীপট্টিৰ নতুন বজাৰৰ এটা গৃহত বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে তিনিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য কেইবালাখ টকা হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

ooooo

বাক্সা জিলাৰ লক্ষীবজাৰত দুদিনীয়াকৈ মটৰ চাইকেল সমদল অনুষ্ঠিত হয়। বাক্সা জিলা এবছুৰ উদ্যোগত শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যে আজিৰে পৰা এই মটৰ চাইকেল সমদল উদ্বোধন কৰা হয়। চুণবাগানৰ পৰা আৰম্ভ হোৱা এই সমদল কাইলৈ খাৰিজা বিজনীত সামৰণি পৰিব।

০০০০০

গোলাঘাট জিলাৰ বৰপথাৰৰ সমাজকৰ্মী ভূবন দত্তৰ আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত দত্তৰ বয়স হৈছিল ৮৫ বছৰ। অসম আন্দোলন আৰু ভাষা আন্দোলনৰ সক্ৰিয় কৰ্মী দত্তৰ মৃত্যুত গোলাঘাটত শোকৰ ছাঁ পৰিছে।

০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আয়োজক সমিতিয়ে প্ৰথমখন ছেমি ফাইনেলৰ সূচী সলনি কৰিছে। নতুন সূচী অনুসৰি অহা ২৬ আগষ্টত শ্বিলঙত প্ৰথমখন ছেমি ফাইনেল অনুষ্ঠিত হ'ব। সেইদিনা সন্ধিয়া চাৰে ৫ বজাত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি আৰু শ্বিলং লাজং এফ চিৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত